# ভৌগােলিক সংজ্ঞা

**প্ৰশ্ন ১। সংজ্ঞা লিখা: হিমবাহ, হিমশিলা, প্ৰবালদ্বীপ, পশ্চাৎভূমি, ভূমিকম্প, আগ্নেয়গিৰি ।**

**উত্তৰঃ হিমবাহ :-** বৰফেৰে ঢক খাই থকা অতি ওখ পৰ্বত ঠায়ে ঠায়ে পৰ্বতৰ গাৰে ধীৰে ধীৰে গলিত বৰফ নামি আহে । ইয়াকে হিমবাহ ( Glacier ) বােলে ।

**হিমশিলা :-** মেৰু অঞ্চলৰ সাগৰত ঠায়ে ঠায়ে পানী গােট মাৰি বৰফ হয় আৰু তাৰে কিছু অংশ পানীত ওপঙি থাকে । ইয়াকে হিমশিল (iceberg) বা বৰফৰ পৰ্বত বােলে ।

**প্ৰবালদ্বীপ :-** সাগৰৰ তলত থকা প্ৰবাল পােক মৰি স্তুপীকৃত হৈ আন কিছুমান পদাৰ্থৰ লগ লাগে আৰু সাগৰত দ্বীপৰ সৃষ্টি কৰে । এনে দ্বীপকে প্ৰবাল দ্বীপ ( Coral Island ) বােলে ।

**পশ্চাৎভূমি :-** সাগৰ বা নৈৰ পাৰৰ অঞ্চলবােৰক পশ্চাৎভূমি বােলা হয় ।

**ভূমিকম্প :-** ভূগৰ্ভত থকা শিলৰ ছটা বা ফলকবােৰ স্থানচ্যুত হােৱাৰ ফলত পৃথিৱীৰ উপৰিভাগত উঠা কম্পনকে ভূমিকম্প ( Earthquake) বুলি কোৱা হয় ।

**আগ্নেয়গিৰি :-** সময়ে সময়ে কোনাে কোনাে পৰ্বতৰ পৰা ভূগৰ্ভত থকা উত্তপ্ত গলিত ধাতৱ পদাৰ্থ , জুই , ধোঁৱা আদি প্ৰবল বেগেৰে ওলাই আহে আৰু ইয়াকে আগ্নেয়গিৰি ( Volcano ) বুলি কোৱা হয় ।

**প্ৰশ্ন ২। জোৱাৰ ভাটা কাক বােলে ? কিহৰ বাবে জোৱাৰ ভাটা হয় ? ই কেই প্ৰকাৰৰ ?**

**উত্তৰঃ** সাগৰৰ পানী উঠা – নমা কৰাকে জোৱাৰ ভাটা বােলে । চন্দ্ৰ আৰু সূৰ্যই পৃথিৱীক আকৰ্ষণ কৰাৰ ফলত জোৱাৰ ভাটা হয় । জোৱাৰ ভাটা দুই প্ৰকাৰৰ ওফন্দি উঠা জোৱাৰ ( Spring Tide ) ভাটা আৰু নাটনি জোৱাৰ ( Neap Tide ) ।

**প্ৰশ্ন ৩। ভূমিকম্প জোখা স্কেলৰ নাম কি ? ইয়াক কোনে উদ্ভাৱন কৰিছিল ?**

**উত্তৰঃ** ৰিষ্টাৰ স্কেল । ইয়াক উদ্ভাৱন কৰিছিল আমেৰিকাৰ ৰিষ্টাৰ নামৰ ভূ বিজ্ঞানী এগৰাকীয়ে ।

**প্ৰশ্ন ৪। প্ৰবাল দ্বীপ কেনেদৰে সৃষ্টি হয় ? ভাৰত মহাসাগৰত থকা প্ৰবাল দ্বীপ এটাৰ নাম লিখা ।**

**উত্তৰঃ** সাগৰৰ তলত থকা প্ৰবাল পাোক মৰি তূপীকৃত হৈ আন কিছুমান পদাৰ্থ লগ লগাৰ ফলত প্ৰবাল দ্বীপৰ সৃষ্টি হয় । ভাৰত মহাসাগৰত থকা এটা প্ৰবাল দ্বীপ হৈছে লাক্ষা দ্বীপ ।

**প্ৰশ্ন ৫। চুনামিৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** সাগৰৰ তলিত হাোৰা ভূইকপক চুনামি ( Tsunami ) বুলি কোৱা হয় । চুনামি হ'লে সাগৰৰ ঢৌবাোৰে প্ৰলয়ংকাৰী ৰূপ লয় । তেতিয়া সাগৰৰ উপকূল অঞ্চলৰ ঘৰবাৰী সাগৰৰ ঢৌৱে বুৰাই পেলায়। ফলত মানুহ তথা অন্য জীৱ – জন্তুৰ প্ৰাণ হানি হয় , সা – সম্পত্তি , ঘৰ- দুৱাৰ ধ্বংসপ্ৰাপ্ত হয় । চুনামি প্ৰলয়ংকাৰী প্ৰাকৃতিক দুৰ্যোগসমূহৰ ভিতৰত অন্যতম দুৰ্যোগ বুলি চিহ্নিত হৈ আহিছে ।

**প্ৰশ্ন ৬। খালী ঠাই পূৰণ কৰা –**

( ক ) পৃথিৱীৰ ভিতৰত বৃহত্তম দ্বীপটোৰ নাম …………….।

**উত্তৰঃ** পৃথিৱীৰ ভিতৰত বৃহত্তম দ্বীপটোৰ নাম গ্ৰীণলেণ্ড ।

( খ ) পৃথিৱীৰ ভিতৰত বৃহত্তম ব – দ্বীপটোৰ নাম …………….।

**উত্তৰঃ** পৃথিৱীৰ ভিতৰত বৃহত্তম ব – দ্বীপটোৰ নাম সুন্দৰবন ।

( গ ) ………………. পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ মৰুভূমি ।

**উত্তৰঃ** চাহাৰ পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ মৰুভূমি ।

( ঘ ) পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ জলপ্ৰপাতটো হ'ল……………..।

**উত্তৰঃ** পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ জলপ্ৰপাতটো হ'ল এঞ্জেল ।

( ঙ ) ……………… হ'ল পৃথিৱীৰ আটাইতকৈ ডাঙৰ হ্ৰদ ।

**উত্তৰঃ** কাস্পিয়ান হ’ল পৃথিৱীৰ আটাইতকৈ ডাঙৰ হ্রদ ।